অধ্যায় ১ ঃ মুদ্রাৰ ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ মুদ্রাৰ ধাৰণা

১.৩.১ মুদ্রাৰ উৎপত্তি

১.৩.২ মুদ্রাৰ সূত্র

১.৩.৩ মুদ্রা আৰু ধাতৰ অথবা বিহিত মুদ্রা

১.৪ মুদ্রাৰ কার্যাৱলী

১.৫ মুদ্রাৰ প্রকাৰ

১.৬ অর্থনীতিত মুদ্রাৰ ভূমিকা

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবৰ বাবে

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আহিঁ প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মুদ্রাৰ উৎপত্তি সম্পর্কে জ্ঞাত হ'ব
- মুদ্রাৰ সূত্র নির্ণয় কৰাৰ লগতে ইয়াৰ বিভিন্ন প্রকাৰসমুহ জানিব পাৰিব
- মুদ্রা আৰু ধাতৰ অথবা বিহিত মুদ্রাৰ পার্থক্য নির্ণয় কৰিব পাৰিব
- মুদ্রাৰ কার্যাৱলী বর্ণনা কৰিব পাৰিব
- কোনো এটা অর্থনীতিত মুদ্রাৰ ভূমিকা সম্পর্কে জ্ঞাত হ'ব
- উন্নয়নশীল অর্থনীতিত মুদ্রাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টিত আমি মুদ্রা সম্পর্কে, বিশেষকৈ ইয়াৰ উৎপত্তি, কার্যাৱলী, প্রকাৰ আৰু অর্থনীতিত ইয়াৰ ভূমিকা সম্পর্কে আলোচনা কৰিম। মুদ্রাৰ বিভিন্ন সংজ্ঞাবোৰ মুদ্রাৰ কাম আৰু বৈশিষ্ট ইত্যাদিৰ ওপৰত ভিত্তি কৰি আগবঢ়াবলৈ ইয়াত এটা প্রচেষ্টা চলোৱা হব। ইয়াত সামগ্রিকভাবে মুদ্রাৰ ধাৰণাটো এনেদৰে বিশ্লেষণ কৰা হৈছে যিয়ে আপোনাক অর্থনৈতিক ধাৰণা এটা হিচাপে মুদ্রাৰ বিষয়ে অবগত কৰাব।

১.৩ মুদ্রাৰ ধাৰণা

মুদ্রাৰ সাধাৰণ গ্রহণযোগ্যতাৰ অর্থটো হ'ল ই ঋণকে ধৰি সকলো লেন-দেন নিষ্পত্তি কৰাৰ এক পৰিশোধ পন্থা। এইটো প্রায়ে কোৱা হয় যে মুদ্রাই চাৰিটা প্রধান কার্য্য সম্পাদন কৰে- বিনিময় মাধ্যম হিচাপে, জোখমাখৰ একক হিচাপে, পৰবর্তি সময়ত পৰিশোধ কৰিবলগীয়া ধনৰ এক স্বীকৃত মান হিচাপে আৰু সঞ্চয়ৰ মাধ্যম হিচাপে। মুদ্রাৰ ধাৰণাটো সম্পর্কে বহুটো বিতর্ক প্রচলিত। সেয়েহে মুদ্রাৰ ধাৰণাটো সঠিক ভাৱে বুজিবলৈ প্রথমে আমি মুদ্রাৰ উৎস আৰু বিভিন্ন দৃষ্টি ভংগীৰে মুদ্রাৰ সংজ্ঞা বুজাৰ লগতে মুদ্রা আৰু নগদ ধনৰ মাজৰ প্রভেদ বুজাৰ চেষ্টা কৰো আহক।

১.৩.১ মুদ্রাৰ উৎপত্তি

মুদ্রাৰ ব্যৱহাৰ প্রকৃততে কেতিয়াৰ পৰা আৰম্ভ হ'ল সেই বিষয়ে খাটাংকৈ কোৱাটো কঠিন। কেইনছে কোৱাৰ দৰে 'মানৰ সভ্যতাৰ পৰিক্রমাত অন্যান্য উপাদানসমূহৰ অৱদানৰ দৰেই ই এটা অতি পুৰণি অনুষ্ঠান।' অৱশ্যে মানৰ সভ্যতাৰ অগ্রগতিৰ বিভিন্ন পর্যায়ত অথবা অৱস্থাত ইয়াৰ আকাৰৰো পৰিবর্তন হৈ আহিছে। মুদ্রাৰ উৎপত্তি সম্পর্কে চিৰাচৰিতভাৱে দুটা ধাৰণাৰ প্রচলন আছে। এইকেইটা হ'ল—

- মুদ্রাৰ স্বয়ংক্রিয় বিকাশ তত্ত্ব
- মুদ্রাৰ আৱিষ্কাৰ তত্ত্ব

মুদ্রাৰ স্বয়ংক্রিয় তত্ত্বই এই কথা কয় যে বর্তমান কালত অপৰিহার্যভাৱে ব্যৱহৃত কিছুমান দ্রব্য, যেনে — ভাপ ইঞ্জিন অথবা শক্তিৰ দৰেই মুদ্রাৰ ব্যৱহাৰো এক অপৰিহার্য দ্রব্য। কল কাৰখানা, যান-বাহন আদি চলোৱাত ভাপ শক্তিৰ প্রয়োজনীয়তা যিদৰে জ্ঞাতভাৱে অহা নাই, একেদৰেই মুদ্রাৰ ব্যৱহাৰো অজ্ঞাতভাৱেই আহি পৰিল। কোনো এটা দ্রব্য আবিষ্কাৰ হোৱাৰ পাছত ক্রমান্বয়ে সেই বস্তুটোৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰশীল হৈ পৰা হয়।

গতিকে দেখা যায় যে মুদ্রাৰ আবিষ্কাৰেই মুদ্রাৰ ব্যৱহাৰৰ প্রয়োজনীয়তাৰ সৃষ্টি কৰিলে। পোনতে, মানুহে কোনো এটা দ্রব্যৰ বিনিময় কৰিবৰ বাবে ইয়াক পাবলৈ হাবিয়াস কৰিছিল ক্রমান্বয়ে ইয়াক বিনিময়ৰ মাধ্যম আৰু অন্যান্য কার্যৰ বাবে ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু এনেকৈয়ে সময় বাগৰাৰ লগে লগে ই অপৰিহার্য হৈ পৰিল। তেতিয়া ই আগতকৈও অধিক গুৰুত্ব পাবলৈ ধৰিলে, ইয়াৰ অবিহনে সমাজৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাতেই অসুবিধা আহি পৰিল।

মুদ্রাৰ আবিষ্কাৰ তত্ত্ব অনুসৰি কোৱা হয় যে পণ্য বিনিময় প্রথাৰ অসুবিধাসমূহ দূৰ কৰি বিনিময়ৰ মাধ্যম আৰু মূল্যৰ জোখ হিচাপে সর্বসম্মতভাৱে

এটা দ্রব্যকে আৰু পাছত অন্য দ্রব্যক গ্রহণ কৰিব বিচাৰিলে। বিনিময়ৰ মাধ্যম আৰু মূল্যৰ জোখ - এই দুয়োটাৰ ভিতৰত, মূল্যৰ জোখ কার্যটোকে সম্ভৱতঃ বেছিকৈ গুৰুত্ব দিলে। সেয়ে মূল্যৰ জোখ হিচাবে গৰু, ছাগলী আৰু পাছলৈ অন্যান্য দ্রব্যবিলাক, যেনে- মুকুতা, জন্তুৰ নোম, বিভিন্ন ধৰণৰ মণি, আৰু অৱশেষত ধাতুৱে প্রাধান্য পালে।

আমাৰ বাবে মুদ্রা কেনেকৈ আহিল সেইটো গুৰুত্বপূর্ণ কথা নহয়, মূল কথাটো হ'ল মুদ্রা আমাৰ বাবে অতিশয় প্রয়োজনীয় আৰু উপযোগী। মুদ্রাই পণ্য বিনিময় প্রথাৰ সকলোবোৰ অসুবিধা দূৰ কৰিব পাৰিছে আৰু বিভিন্ন ধৰণে সহায় কৰিছে।

১.৩.২ মুদ্রাৰ সূত্র

কার্যাৱলীৰ বিভিন্ন দিশৰ গুৰুত্ব প্রদান কৰি মুদ্রাৰ সূত্র ভিন ভিন ধৰণে দিয়া হয়। এই সকলোবোৰ সূত্রকে কেইটামান শ্রেণীত বিভক্ত কৰি আলোচনা কৰিব পাৰি। সেই ভাগকেইটা হ'ল —

- বর্ণনাত্মক অথবা কার্যাৱলীৰ ভিত্তিত
- সাধাৰণ গ্রহণযোগ্যতাৰ ভিত্তিত,
- দেশীয় অর্থনৈতিক তত্ত্বৰ ভিত্তিত, আৰু
- পৰিসৰ ভিত্তিক - অর্থাৎ , মুদ্রাই কেৱল ধাতু মুদ্রা অথবা সকলোবোৰ মুদ্রা অথবা সকলোবোৰ বিহিত মুদ্রাকো অন্তর্ভুক্ত কৰে।
- **বর্ণনাত্মক অথবা কার্যাৱলীৰ ভিত্তিত ঃ** এই সূত্রবিলাকে মুদ্রাৰ অত্যাৱশ্যকীয় কামবোৰ বর্ণনা কৰে। এই শাখাৰ কেইটিমান উল্লেখযোগ্য সূত্র তলত উল্লেখ কৰা হ'ল —
  - *'যি বস্তু বিনিময়ৰ আহিলাৰূপে সকলোৰে বাবে গ্রহণযোগ্য অথবা ঋণ পৰিশোধৰ আহিলাৰূপে ব্যৱহৃত হয় আৰু যিয়েই একে সময়তে মূল্যৰ ভঁৰাল হিচাপে চিহ্নিত হয়, তাকেই মুদ্রা বুলি কোৱা হয়।'*— ক্রাউথাৰ।
  - *'মুদ্রা হ'ল নিজস্বতা থকা এটা বস্তু, যি ঋণ আৰু দৰ সংকোচনত ব্যৱহাৰ কৰা হয় আৰু এই ব্যৱহাৰ সাধাৰণ ক্রয় ক্ষমতাৰ সঞ্চয়ৰ ক্ষেত্রতো কৰা হয়।'* — কেইনচ।
  - *'মুদ্রা শব্দটো বিনিময়ৰ মাধ্যম আৰু মূল্যৰ সাধাৰণ জোখৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয়।'* — হাম।

ওপৰত উল্লিখিত সূত্রসমূহত মুদ্রাৰ কার্যাৱলীসমূহ বর্ণনা কৰিবলৈ বিচৰা হৈছে যদিও সেয়া সম্পূর্ণভাৱে সফল হোৱা নাই। ওৱাকাৰৰ সূত্রটোত মুদ্রাৰ কোনো

কার্যাৱলীৰ বিষয়ে উল্লেখ কৰা হোৱা নাই; অথবা ই বর্ণনাত্মকো নহয়। সেইদৰে, অন্যান্য সূত্রসমূহেও কেৱল মুদ্রাৰ কিছুমান কার্যাৱলীৰ বিষয়েহে উল্লেখ কৰিছে। সেয়ে ক'ব পাৰি, এই সূত্রসমূহেও মুদ্রাৰ সংজ্ঞা সম্পূর্ণৰূপে দাঙি ধৰিব পৰা নাই। কিন্তু কোনো সূত্রই সকলোবোৰ কার্যাৱলীৰ বিৱৰণ দাঙি ধৰাতো অসম্ভৱ। সূত্রসমূহে যেতিয়াই কিছুমান অত্যাৱশ্যকীয় বৈশিষ্ট্যৰ বিষয়ে বর্ণনা দাঙি ধৰাৰ লগতে ইয়াৰ অগ্রগতিৰ খতিয়ান দাঙি ধৰে তেতিয়াই সূত্রসমূহে তাৰ উদ্দেশ্য পূৰণ কৰিছে বুলি ধৰিব পাৰি।

- **সর্বসাধাৰণৰ গ্রহণযোগ্যতাৰ ওপৰত ভিত্তি কৰি আগবঢ়োৱা সূত্র ঃ** এই সূত্রবিলাকে জনসাধাৰণৰ দ্বাৰা মুদ্রাৰ এককৰ গ্রহণযোগ্যতাৰ ক্ষেত্রত গুৰুত্ব দিয়ে।
  - *'মুদ্রা হ'ল সেই সকলোবোৰ দ্রব্য, যিবিলাকে কোনো এটা সময় বা স্থানত নিঃসন্দেহে অথবা কোনো অনুসন্ধান নোহোৱাকৈ দ্রব্য আৰু সেৱা ক্রয়-বিক্রয় আৰু ব্যয় কৰাৰ আহিলা ৰূপে ব্যৱহৃত হয়।'* — মার্ছাল।
  - *'যিকোনো এটা বস্তু মুদ্রা হিচাপে পৰিগণিত হ'বলৈ হ'লে ইয়াক বিনিময়ৰ মাধ্যম ৰূপে বিস্তৃতভাৱে গ্রহণযোগ্যতা থাকিব লাগে। ইয়াৰ অর্থ হ'ল বেছি সংখ্যক লোকে তেওঁলোকক আগবঢ়োৱা দ্রব্য আৰু সেৱাৰ বাবে ইয়াক পৰিশোধ কৰিবলৈ সাজু।'* — পিগু।
  - *'মুদ্রা এনে এটা দ্রব্য যাক অন্যান্য দ্রব্যৰ বিনিময় আৰু অন্যান্য ব্যৱসায়িক লেনদেন কার্য সম্পন্ন কৰাত ব্যৱহাৰ কৰা হয়।'* — ৰর্বাটছন।

উপৰুক্ত সকলোবোৰ সূত্রই মুদ্রাৰ সর্বসাধাৰণ গ্রহণযোগ্যতা কথাটোৰ ক্ষেত্রৰ ওপৰত জোৰ দিছে। কিছুমান ক্ষেত্রত মুদ্রাৰ কিছুমান কার্যাৱলীৰ বিষয়েও উল্লেখ কৰিছে। গতিকে মুদ্রাৰ এই সূত্রবিলাক সন্তোষজনক। কিন্তু এই গ্রহণযোগ্যতা স্বেচ্ছামূলক হ'ব লাগে।

- **দেশীয় অর্থনৈতিক তত্ত্বৰ ভিত্তিত আগবঢ়োৱা মুদ্রাৰ সূত্র ঃ** এই সূত্রবিলাক আগবঢ়োৱা হয় দেশে মুদ্রাক কেনেকৈ স্বীকৃতি দিয়ে সেই কথা ভিত্তি কৰি। অর্থনৈতিক সম্পর্কসমূহ বজাই ৰখাত ঋণ ব্যৱস্থাই এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেয়ে এই সূত্রৰ প্রবক্তাসকলে কয় যে কেৱল সেই দ্রব্যকহে মুদ্রাৰ ৰূপত গ্রহণ কৰিব লাগে, যি বিধিগতভাৱে পৰিশোধমূলক কার্য সম্পন্ন কৰিব পাৰে।

  জার্মান অর্থনীতিবিদ নেপ (Knapp) আৰু বৃটিছ অর্থনীতিবিদ হট্রে (Hawtrey) এই চিন্তাধাৰৰ সমর্থক। নেপৰ সূত্রত কোৱা হৈছে যে দেশে ঋণ পৰিশোধ আদি সম্পন্ন কৰাৰ বাবে যি বস্তুকেই ব্যৱহাৰ কৰে তাকেই মুদ্রা বুলি কোৱা হয়। হট্রেই এই সূত্রৰ লগত আৰু অলপ কথা যোগ দি কয়

যে ই হিচাপৰ একক ৰূপে কাম কৰে।

এটা কথা মন কৰিবলগীয়া যে কোনো এটা বস্তুৰ মূল্য বিস্তৃত পৰিমাণে অৱনমিত হ'লে কোনো দেশেই ইয়াৰ জনসাধাৰণক সেই বস্তুটো মুদ্রা হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য কৰাব নোৱাৰে। উদাহৰণস্বৰূপে প্ৰথম মহাসমৰৰ পাছত জার্মানীত প্ৰচলিত মুদ্রা 'মার্ক'ক তাৰ জনসাধাৰণে মুদ্রা হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। অৱশেষত চৰকাৰে নতুন মুদ্রা প্ৰৱর্তন কৰিবলৈ বাধ্য হয়।

➢ **মুদ্রাৰ পৰিসৰ অনুসৰি আগবঢ়োৱা সূত্র ঃ** মুদ্রাই কেৱল ধাতু মুদ্রা অথবা সকলোধৰণৰ মুদ্রা অথবা কেৱল বিহিত মুদ্রাকহে অন্তর্ভুক্ত কৰেনে? তলত দিয়া সূত্রসমূহৰ পৰা এই কথা স্পষ্ট হ'ব —

❍ *'মুদ্রা এনে এটা দ্রব্য যাক অন্যান্য দ্রব্যৰ বিনিময়ত আৰু অন্যান্য ব্যৱসায়িক লেনদেন কার্য সম্পন্ন কৰাত ব্যৱহাৰ কৰা হয়'* (ৰবার্টচন) ।

কেৱল ধাতু মুদ্রাহে দ্রব্যৰ বিনিময়ত আৰু ব্যৱসায়কি লেনদেন কার্য সম্পন্ন কৰাত গ্ৰহণ কৰা হয়, বাবে সূত্রটোৱেই এই চিন্তাধাৰাৰ প্ৰথম গোষ্ঠী (স্কুল) অর্থাৎ, 'ধাতু মুদ্রাকেই সর্বসন্মত'-- এই ধাৰাটিত অন্তর্ভুক্ত কৰিব পাৰি।

❍ *'মুদ্রা এটা ক্রয় ক্ষমতা — যাৰ দ্বাৰা দ্রব্য ক্রয় কৰিব পৰা যায়।'* — কোলে (Cole)

যিহেতু, ধাতু মুদ্রা, কাগজী নোট আৰু অন্যান্য ধনৰ আহিলাসমূহ, যেনে— ধনাদেশ, বিল অব্ একচেঞ্জ, ড্রাফ্ট আদিৰ ক্রয় ক্ষমতা আছে আৰু এইবিলাকৰ দ্বাৰা দ্রব্য ক্রয় কৰিব পাৰি। সেয়ে এই সূত্রটো এই চিন্তাধাৰাৰ দ্বিতীয় গোষ্ঠীৰ ভিতৰত অন্তর্ভুক্ত।

যিহেতু এয়া স্পষ্টত দেখা যায় যে, যিকোনো এটা সময় আৰু স্থানত ধাতব মুদ্রা আৰু বিহিত মুদ্রাই একমাত্র সর্বসন্মত গ্ৰহণযোগ্য মুদ্রা, সেয়ে এই সূত্রটো এই চিন্তাধাৰাৰ তৃতীয় গোষ্ঠীৰ অন্তর্ভুক্ত।

১.৩.৩ মুদ্রা আৰু ধাতৱ অথবা বিহিত মুদ্রা

মুদ্রাৰ অন্য এটা ধাৰণা হ'ল প্ৰচলিত মুদ্রা। মুদ্রাৰ সৈতে ইয়াৰ অর্থ দেখাত একে হ'লেও এই দুয়োটাৰ মাজত পার্থক্য বিদ্যমান। প্ৰচলিত মুদ্রা (currency) শব্দটো লেটিন শব্দ 'currere' ৰ পৰা উদ্ভৱ হৈছে আৰু ইয়াৰ অর্থ হ'ল প্ৰবাহ অথবা চলি থকা। কেৱল ধাতু মুদ্রা আৰু বিহিত মুদ্রাৰহে প্ৰবাহ থাকে। সেয়ে এই ক্ষেত্রত কেৱল এইবিলাকহে মুদ্রাৰ অন্তর্ভুক্ত হয়। তলৰ ব্যাখ্যাৰ পৰা এই পার্থক্যটো স্পষ্ট ৰূপে অনুধাৱন কৰিব পৰা যায়।

মুদ্রা (money) = ধাতৱ মুদ্রা + বিহিত মুদ্রা + ঋণৰ আহিলাসমূহ

প্রচলিত মুদ্রা (currency) = ধাতৰ মুদ্রা + বিহিত মুদ্রা
=মুদ্রা ঋণৰ আহিলাসমূহ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মুদ্রাৰ সংজ্ঞা নিৰূপণ কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ২ ঃ মুদ্রা আৰু প্রচলিত মুদ্রাৰ মাজত পার্থক্য নিৰূপণ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১.৪ মুদ্রাৰ কার্যাৱলী

আধুনিক কালত মুদ্রাই বহুতো কার্য সম্পন্ন কৰে। মুদ্রাৰ এই কার্যাৱলীসমূহক প্রধানতঃ তিনিটা ভাগত ভগাব পাৰি। যথা --

- প্রাথমিক কার্যাৱলী,
- গৌণ কার্যাৱলী আৰু
- অন্যান্য কার্যাৱলী।
- **মুদ্রাৰ প্রাথমিক কার্যাৱলী ঃ** মুদ্রাৰ প্রাথমিক কার্যাৱলী হ'ল ---
  - **বিনিময়ৰ মাধ্যম ঃ** দ্রব্যৰ প্রত্যক্ষ বিনিময় অথবা পণ্য বিনিময় প্রথাৰ প্রধান অসুবিধা হ'ল -- অভাৱবিলাকৰ মাজত পোনপটীয়া সঙ্গতিহীনতা আৰু ইয়াৰ সঙ্গতি ৰখাৰ প্রয়োজনীয়তা থকাটো। এই অসুবিধাটো বিনিময়ৰ মাধ্যম হিচাবে মুদ্রাই সহজে অতিক্রম কৰিব পাৰে। এই কাম অর্থাৎ বিনিময়টো দুটা ভাগত ভাগ কৰা হয়— এটা বিক্রী আৰু আনটো ক্রয়। বিক্রী কৰোতে মুদ্রাৰ বাবে

দ্রব্য বা সেৱাটো আনলোকৰ হাতলৈ এৰি দিয়া হয় আৰু ক্রয় কৰোতে দ্রব্য বা সেৱা পোৱাৰ বাবদ মুদ্রা আনৰ হাতলৈ এৰি দিয়া হয়। অৱশেষত দ্রব্য বা সেৱাবিলাক এহাতৰ পৰা আন হাতলৈ যায়। এই দুই প্রক্রিয়াত মুদ্রাই হস্তক্ষেপ কৰে। অর্থাৎ মুদ্রাই দ্রব্য আৰু সেৱাবিলাকৰ এজনৰ হাতৰ পৰা আনজনলৈ অর্থাৎ বিক্রী আৰু এজনৰ পৰা আনজনলৈ প্রাপ্তি অথবা ক্রয় কৰা— এই দুই কার্যৰ সুবিধা কৰি দিয়ে।

- **মূল্যৰ জোখ ঃ** মুদ্রাই এটা নির্দিষ্ট মূল্যৰ জোখ হিচাবে কাম কৰে। ইয়াক এটা সাধাৰণ মান হিচাবেও ব্যৱহাৰ হয়। সকলোবিলাক দ্রব্য আৰু সেৱাকেই মুদ্রাৰে জোখা হয়। সেয়ে যেতিয়া আমি কোনো এটা দ্রব্য আনটো দ্রব্যৰ সৈতে বিনিময় কৰিব বিচাৰোঁ তেতিয়া প্রত্যেকটো দ্রব্যকে মুদ্রাৰে মূল্যায়ন কৰা হয়। সেয়ে, মুদ্রাৰ জৰিয়তে আমি সামগ্রীবিলাকৰ মূল্যৰ তুলনা কৰাৰ লগতে আপেক্ষিক সমতাও নির্দ্ধাৰণ কৰিব পাৰোঁ।

- **গৌণ কার্যাৱলী ঃ** মুদ্রাৰ গৌণ কার্যাৱলীসমূহ প্রাথমিক কার্যাৱলীৰ পৰাই উদ্ভৱ হৈছে। এইবোৰ হ'ল -----
  - **সঞ্চিত মূল্যৰ ভঁৰাল ঃ** বিনিময়ৰ মাধ্যম হিচাবে যেতিয়াই কোনো এটা দ্রব্য সাধাৰণভাৱে ব্যৱহৃত হ'ল, তেতিয়াৰ পৰাই মানুহে অন্যান্য দ্রব্যতকৈ এই দ্রব্যটোকে সঞ্চিত মূল্যৰ ভঁৰাল হিচাবে ব্যৱহাৰ কৰিবলৈ ধৰিলে। এই দ্রব্যটোৱে অন্যান্য দ্রব্য আৰু সেৱাবিলাকৰ প্রতিনিধিত্ব কৰে আৰু যিজন লোকে ইয়াক সঞ্চয় কৰি ৰাখে তেওঁ প্রকৃততে দ্রব্য আৰু সেৱাবিলাকহে সঞ্চয় কৰি থয়। সেয়ে মুদ্রাই সঞ্চিত মূল্যৰ ভঁৰাল হিচাবে কাম কৰে। ইয়াৰ বাবে কোনো স্থানৰ প্রয়োজন নহয় নাইবা সময়ৰ গতিত ই নষ্ট হৈ নাযায়। যিহেতু ই সঞ্চিত মূল্যৰ ভঁৰাল হিচাবে কাম কৰে, সেয়ে ই তাৰল্য পৰিসম্পত্তি ৰূপেও সেৱা আগবঢ়ায়।
  - **ভৱিষ্যত লেনদেনৰ পৰিশোধৰ মান হিচাপে কাম কৰে ঃ** কোনো লেনদেনৰ বাবে বিনিময় বর্তমানে স্থগিত ৰাখি ভৱিষ্যতে কৰিবলৈ বিচাৰিলে ইয়াৰ কিছুমান নির্দিষ্ট মান নির্দ্ধাৰণ কৰা হয় আৰু ই সদায় স্থিৰ হ'ব লাগে। সাধাৰণতে মুদ্রাৰ মূল্য অন্যান্য দ্রব্যৰ তুলনাত স্থিৰে থাকে। সেয়ে মুদ্রা ইয়াৰ বাবেও ব্যৱহৃত হয়, তদুপৰি মুদ্রাৰ ব্যৱহাৰৰ বাবে স্থগিত দেনা- পাওনাৰ ক্ষেত্রত ভৱিষ্যতে কোনো বিপদৰ আশংকা আদি নাথাকে অথবা উদ্ভৱ নহয়।
  - **মূল্যৰ স্থানান্তৰ ঃ** মুদ্রাই মূল্য এজনৰ হাতৰ পৰা আনজনলৈ আৰু এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰ হোৱাত সহায় কৰে। এই কার্য অনায়াসে কৰিব পৰা যায়। যিকোনো পৰিমাণৰ কাগজী মুদ্রা অতি কম খৰচতে আৰু নিৰাপদে এঠাইৰ পৰা আন ঠাইলৈ অনা-নিয়া কৰিব পৰা যায়।

- **অন্যান্য কার্যাৱলী ঃ** কোনো এখন সমাজত তথা নির্দিষ্ট অর্থনৈতিক ব্যৱস্থাৰ গণ্ডীত মুদ্রাই এই কার্যসমূহ সম্পন্ন কৰে। কিন্তু আধুনিক বা বর্তমান সময়ত মুদ্রাই এই কার্যসমূহৰ উপৰিও কিছুমান অন্যান্য কার্যও সম্পন্ন কৰে। সেই কার্যসমূহ হ'ল—
  - **মুদ্রাই মূলধনৰ তাৰল্যতা সৃষ্টি কৰে ঃ** মুদ্রাৰ সঞ্চিত মূল্যই মূলধনৰ যোগান ধৰে। বর্তমানৰ অর্থনৈতিক ব্যৱস্থাত উৎপাদন কার্য সম্পন্ন কৰিবলৈ বহুতো উপাদান ক্রয় আৰু ভাড়ালৈ অনা হয়। মুদ্রা ৰূপত মূলধন তৰল অৱস্থাত পোৱা যায় বাবেহে এনে কার্য সম্ভৱপৰ।
  - **যৌথ উৎপাদিত দ্রব্যৰ বিতৰণ ঃ** বর্তমান কালত উৎপাদন সম্ভৱ হয় যুটীয়া প্রচেষ্টাৰ দ্বাৰা। সেয়ে উৎপাদনলৈ অৱদান আগবঢ়োৱা উপাদানসমূহক নিজ নিজ পাৰিতোষিক সুবিধাজনকভাৱে দিব পৰা যায়, কাৰণ এই উৎপাদিত দ্রব্যসমূহ মুদ্রাৰ মাধ্যমত বিক্রী কৰিব পাৰি।
  - **ঋণদানৰ ভিত্তি ঃ** বর্তমান সময়ত উদ্যোগ আৰু ব্যৱসায় বাণিজ্য ঋণৰ ওপৰত বাৰুকৈয়ে নির্ভৰশীল। মুদ্রাৰ ব্যৱহাৰৰ ফলত বেংক আদি অনুষ্ঠানসমূহৰ সৃষ্টি হৈছে আৰু এইবিলাকৰ কার্যকলাপ সম্পূর্ণৰূপে মুদ্রাৰ ওপৰত নির্ভৰশীল। এই অনুষ্ঠানবিলাকে অংশপত্র অথবা প্রতিভূতি বজাৰত উলিয়াই দি এইবিলাকৰ মূলধন বৃদ্ধি কৰে, মুদ্রাৰ ৰূপত জনসাধাৰণৰ পৰা জমা গ্রহণ কৰে, ধন বা আমানত সৃষ্টি কৰে ইয়াক পুনৰ বিতৰণ কৰে।
  - **উৎপাদনৰ উপাদানবিলাকৰ দক্ষতা বৃদ্ধি কৰে ঃ** উৎপাদনৰ প্রত্যেকটো উপাদানৰে অসংখ্য একক থাকে। এই সকলোবিলাক একগোট হৈ উৎপাদন কার্য সম্পন্ন কৰে। এইবিলাকৰ পৰা পুৰামাত্রাই উৎপাদনশীলতা পাবলৈ হ'লে, প্রত্যেককে পূৰামাত্রাতে পাৰিতোষিক দিব লাগিব। এই কার্য সম্ভৱ হ'ব যদিহে মুদ্রাৰ মাধ্যমত সূক্ষ্মতম গণনাবিলাক সম্পন্ন কৰা হয়।
  - **সর্বাধিক সন্তুষ্টি আহৰণ ঃ** প্রত্যেকজন উপভোক্তাই তেওঁৰ আয় বিভিন্ন দ্রব্যৰ ওপৰত এনেদৰে বিতৰণ কৰে, যাতে প্রত্যেকটোৰে পৰা সর্বাধিক সন্তুষ্টি আহৰণ কৰিব পাৰে। এই উদ্দেশ্যেৰেই উপভোক্তাই তেওঁৰ ব্যয় বর্তমান আৰু ভৱিষ্যতৰ বাবেও বিতৰণ কৰে। কেইনছৰ ব্যয়, সঞ্চয় আৰু বিনিয়োগ তত্ত্ব এই নীতিৰ ভিত্তিতেই প্রতিষ্ঠিত।
  - **দেনা পৰিশোধৰ আহিলা ঃ** এজন ব্যক্তি অথবা এটা অনুষ্ঠানে তেওঁৰ অথবা তেওঁলোকৰ সকলোবিলাক দেনা পৰিশোধ কৰিব পাৰে, যদিহে তেওঁৰ অথবা তেওঁলোকৰ আৱশ্যকীয় মুদ্রা বা টকা পইচা থাকে। পৰিসম্পত্তি আৰু দেনাবিলাকৰ মুদ্রাৰ মাধ্যমত কৰা মূল্যায়নে প্রকৃত অৱস্থাটোৰ বিষয়ে অৱগত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ মুদ্রাৰ প্রধান কার্যসমূহ কি কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৪ ঃ মুদ্রাক কিহৰ ভিত্তিত ভাগ কৰা হৈছে। ইয়াৰ প্রধান ভাগসমূহ কি কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১.৫ মুদ্রাৰ প্রকাৰ

মুদ্রা বিভিন্ন প্রকাৰৰ। বিভিন্ন ধৰণৰ মুদ্রা এনেধৰণে শ্রেণীবিভাগ কৰিব পাৰি। ১) মুদ্রা বা নোট ছপা কৰা কর্তৃপক্ষ হিচাবে ২) মুদ্রাৰ প্রকৃতি অনুসৰি ৩) বিধিগত মুদ্রা হিচাবে, আৰু ৪) অবয়ব অথবা অৱস্থিতি ৰূপত।

- **মুদ্রা ছপা কৰা কর্তৃপক্ষ হিচাবে ঃ** এই শ্রেণীবিভাগ অনুসৰি মুদ্রা চৰকাৰী অথবাবেংক মুদ্রা হ'ব পাৰে ঃ
  - **চৰকাৰী মুদ্রা ঃ** এই প্রকাৰৰ মুদ্রা চৰকাৰে অথবা চৰকাৰী নির্দেশত কোনো বেংকে ছপা কৰে। যেতিয়া চৰকাৰে মুদ্রা ছপা কৰে, তেতিয়া ইয়াক চৰকাৰী মুদ্রা আৰু বেংকে ছপা কৰিলে বেংক মুদ্রা বুলি কোৱা হয়। পৰিশোধ প্রাপ্তি আৰু ধন আদায় আদি কার্যসমূহ দেশৰ আইনমতে বাধ্যতামূলক কৰা হয়। দেশৰ কর্তৃপক্ষৰ অধীনত থকা সকলো অঞ্চলতে ই বাধ্যতামূলক। আমাৰ দেশত সকলোবোৰ ধাতু মুদ্রা আৰু এটকীয়া নোট ভা�ৰত চৰকাৰে ছপা কৰে আৰু ইয়াৰ বাহিৰে বাকী নোটসমূহ ভাৰত চৰকাৰৰ অধীনৰ ভাৰতীয় ৰিজার্ভ বেংকে ছপা কৰে। এই সকলোবিলাক মুদ্রাই আচলতে চৰকাৰী মুদ্রা বা টকা। এই সকলোবোৰ মুদ্রা বা টকাৰ গ্রহণযোগ্যতা সমগ্র দেশতে বৈধ আৰু বাধ্যতামূলক।
  - **বেংক মুদ্রা ঃ** চৰকাৰৰ কোনো কর্তৃত্ব নোহোৱাকৈ বেংকে ছপা কৰা মুদ্রাসমূহকে বেংক মুদ্রা বুলি কোৱা হয়। পৰিশোধ গ্রহণ কৰাৰ ক্ষেত্রত এই বিলাক

স্বেচ্ছামূলক। এনেধৰণৰ মুদ্রাসমূহ হ'ল ধনাদেশ, বিনিময়ৰ বিল, প্রমিছৰী নোট, বেংক ড্রাফট্ ইত্যাদি। বর্তমান কালত ট্রেভেলাৰচ চেক বা পর্যটকৰ ধনাদেশসমূহো ছপা কৰা হয়। এইবিলাকক বাণিজ্যিক মুদ্রা বুলি কোৱা হয়।

- **মুদ্রাৰ প্রকৃতি অনুসৰি ঃ** প্রকৃতি অনুসৰি মুদ্রা এনেধৰণে শ্রেণীবিভাজিত কৰা হয় — ১) প্রকৃত মুদ্রা, আৰু ২) নিকট মুদ্রা।
  - **প্রকৃত মুদ্রা** (Money proper or real money)ঃ প্রচলনত থকা মুদ্রাই হ'ল প্রকৃত মুদ্রা আৰু ই তৰল অৱস্থাত থাকে। আমাৰ দেশত প্রচলিত সকলোবিলাক ধাতু মুদ্রা আৰু নোট এই প্রকাৰ মুদ্রাৰ অন্তর্গত।
  - **নিকট মুদ্রা** (Near Money)ঃ মুদ্রাৰ এটা বৈশিষ্ট হ'ল ইয়াৰ তাৰল্যতা। নিকট মুদ্রা তাৰল্যতাৰ নিকটৱর্তী। নিকট মুদ্রাৰ সহায়ত পৰিশোধবিলাক কৰিব পৰা নাযায়। কিন্তু নিকট মুদ্রাবিলাক অতি কম সময়ৰ ভিতৰতে প্রকৃত মুদ্রালে পৰিবর্তন কৰাৰ সুবিধা থাকে। নিকট মুদ্রাৰ উদাহৰণবিলাক হ'ল-- ট্রেজাৰী বিল, ধন পত্রসমূহ, আদি। যিকোনো সময়তে এইবিলাকৰ বজাৰ থাকে।
- **বিহিত ৰূপত মুদ্রাৰ প্রকাৰ ঃ** বিহিত ৰূপত মুদ্রাক তলত দিয়া ধৰণে শ্রেণীবিভাজিত কৰা হয়---
  - **বিহিত মুদ্রা** (legal tender money) ঃ এই প্রকাৰৰ মুদ্রা হ'ল পৰিশোধৰ ক্ষেত্রত এইবিলাক বিহিত। ইয়াক গ্রহণ কৰিবলৈ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিহিত মুদ্রা অসীম বিহিত মুদ্রা অথবা সসীম বিহিত মুদ্রা হ'ব পাৰে।
    - **অসীম বিহিত মুদ্রা** (Unlimted legal tender)ঃ যিকোনো পৰিমাণৰ ধন পৰিশোধৰ বাবে এই প্রকাৰৰ মুদ্রা ব্যৱহাৰ কৰা হয়। আমাৰ দেশত সকলোবোৰ ধাতু মুদ্রা এটকাৰ আৰু তাৰ ওপৰৰ আৰু কাগজী টকা অসীম বিহিত মুদ্রা।
    - **সসীম বিহিত মুদ্রা** (limited legal tender)ঃ কেৱল সীমিত পৰিমাণৰ পৰিশোধৰ ক্ষেত্রতহে এই প্রকাৰৰ মুদ্রাৰ ব্যৱহাৰ হয়। আমাৰ দেশত এটকাৰ তলৰ মুদ্রাবিলাক সসীম বিহিত মুদ্রা।
  - **ঐচ্ছিক মুদ্রা** (Optional money) ঃ এই বিলাক মুদ্রা হ'ল বেংক মুদ্রা অথবা বাণিজ্যিক মুদ্রা। পৰিশোধৰ ক্ষেত্রত এইবিলাক ইচ্ছা অনুসৰি গ্রহণ কৰিব অথবা নকৰিব পাৰি। গ্রহণ কৰোতাজনৰ ইচ্ছাৰ ওপৰতে এই কথা নির্ভৰশীল।
- **অৱয়ব অথবা অৱস্থিতি অনুসৰি মুদ্রাৰ প্রকাৰ ঃ** মুদ্রা দ্রব্য, ধাতু আৰু কাগজী ৰূপত হ'ব পাৰে। আকৌ কাগজী মুদ্রা বিহিত মুদ্রা অথবা আমানত মুদ্রা (ঐচ্ছিক) হ'ব পাৰে।

➢ **ধাতু মুদ্রা ঃ** ধাতু মুদ্রাবিলাক কোনো ধাতুৰে নির্মিত (coin) পইচা। ই (ক) পূর্ণাবয়ব বা স্বাভাৱিক, (full bodied or natural)আৰু (খ) প্রতীক মুদ্রা (token) হ'ব পাৰে।

❍ **পূর্ণাবয়ব বা স্বাভাৱিক মুদ্রাঃ** পূর্ণাবয়ব মুদ্রাৰ বৈশিষ্ট্যসমূহ হ'ল

(১) **প্রধান মুদ্রা ঃ** ই মুখ্য বা প্রধান মুদ্রা। অন্যবিলাক ইয়াৰ অংশ বা গুণক। ভাৰতত এটকীয়া মুদ্রাবিলাককেই হৈছে মুখ্য বা প্রধান মুদ্রা।

(২) **মুক্ত মুদ্রাস্কণ ঃ** ইয়াক টকাশালত (mint) মুক্তভাৱে তৈয়াৰ কৰিব পাৰি। ধাতুৰ এটা স্থিৰ পৰিমাণ নির্দিষ্ট কৰি টকাশালত ইয়াক ছপা কৰা হয়।

মুক্ত মুদ্রাস্কণত মুদ্রাস্কণৰ বাবে কোনো মাচুল পৰিশোধ কৰিব নালাগে। আনহাতে আন এটা ব্যৱস্থা অনুসৰি মুদ্রাস্কণৰ বাবে মাচুল দাবীও কৰা হয়। যদি মাচুলটো প্রকৃত মুদ্রাস্কণৰ ব্যয়ৰ সৈতে সমান হয়, তেন্তে ইয়াক মুদ্রাস্কণৰ বাবে লোৱা খৰচ (brassage) বুলি কোৱা হয়। আনহাতে মাচুলটো যদি মুদ্রাস্কণৰ ব্যয়তকৈ অধিক হয়, তেন্তে ইয়াক মুদ্রাস্কণৰ বাবে লোৱা লাভ (seigneurage) বুলি কোৱা হয়।

(৩) **মুদ্রাৰ ওপৰত লিখিত মূল্য আৰু ধাতু মূল্য একে ঃ** পূর্ণাবয়ব মুদ্রাত ইয়াৰ ওপৰত লিখিত মূল্য আৰু ইয়াৰ ধাতু মূল্য সমান।

(৪) **অসীম বিহিত মুদ্রা** (Unlimted legal tender) ঃ এই প্রকাৰৰ মুদ্রা অসীম বিহিত মুদ্রা। ইয়াৰ জৰিয়তে যিকোনো পৰিমাণৰ পৰিশোধ কৰিব পৰা যায়। এটা পূর্ণাবয়ব মুদ্রাক মানবিশিষ্ট মুদ্রা (standard coin) বুলিও কোৱা হয়। এনেবিলাক মুদ্রা এটা নির্দিষ্ট ওজন আৰু বিশুদ্ধতাৰে উলিওৱা হয়।

❍ **প্রতীক মুদ্রা ঃ** প্রতীক মুদ্রা এটা অংশ মুদ্রা আৰু ই মূল্য মুদ্রাৰ এটা অংশ। ই ইয়াৰ ওপৰত লিখিত মূল্যৰ প্রতীক ৰূপে কাম কৰে। ইয়াৰ বৈশিষ্ট্যসমূহ হ'ল—

(১) ইয়াক টকাশালত মুক্তভাৱে তৈয়াৰ কৰিব নোৱাৰি। এই অৱস্থাত এটাক নির্দিষ্ট পৰিমাণৰ মুদ্রাহে ছপা কৰিব পাৰি। ইয়াৰ অর্থ হ'ল যে চৰকাৰেহে প্রয়োজনীয়তা অনুভৱ কৰিলে ইয়াক ছপা কৰিব পাৰে।

(২) মুদ্রাটোত থকা ধাতু মূল্যতকৈ ইয়াৰ বিনিময় মূল্য বেছি। চৰকাৰে প্রতিনিধিত্বৰূপে এটা কম পৰিমাণৰ ধাতুহে ইয়াৰ ছপাৰ বাবে অনুমতি দিয়ে।

(৩) ই সসীম বিহিত মুদ্রা আৰু অতি সীমিত পৰিমাণৰ পৰিশোধৰ বাবেহে

ব্যৱহাৰ কৰা হয়। এটা সীমাৰ বিপৰীতে ইয়াক গ্ৰহণ কৰাত বাধ্যবাধকতা নাই আৰু ধন দাতাই ইয়াক অগ্ৰাহ্য কৰিব পাৰে।

- **কাগজী মুদ্রা ঃ** কাগজী মুদ্রা বুলিলে নোট আৰু আমানতৰ আহিলাসমূহক— বুজা যায়। কাগজী মুদ্রা, বিশেষকৈ নোটসমূহৰ প্ৰকাৰ হ'ল (১) প্ৰতিনিধিত্বমূলক (২) পৰিবৰ্তনশীল (৩) অপৰিবৰ্তনশীল আৰু(৪) আদিষ্ট মুদ্রা।
  - **প্ৰতিনিধিত্বমূলক কাগজী মুদ্রা ঃ** এই প্ৰকাৰৰ কাগজী মুদ্রা সম্পূৰ্ণৰূপে স্বৰ্ণ আৰু ৰূপ সংৰক্ষণৰ দ্বাৰা প্ৰতিনিধিত্বমূলক হয়। এই ব্যৱস্থাত যিমান পৰিমাণৰ মুল্যৰ কাগজী নোট ছপা কৰা হয় একে পৰিমাণৰ সোণ আৰু ৰূপ মুদ্রা কৰ্তৃপক্ষই সংৰক্ষণ কৰি থয়।
  - **পৰিবৰ্তনশীল কাগজী মুদ্রা ঃ** এই প্ৰকাৰৰ কাগজী মুদ্রা যাৰ হাতত থাকে, তেওঁ ইচ্ছা কৰিলে মানবিশিষ্ট মুদ্রালৈ ৰূপান্তৰ কৰিব পাৰে। মুদ্রা কৰ্তৃপক্ষই ছপা কৰা কাগজী নোটৰ বিপৰীতে স্বৰ্ণ আৰু ৰূপ সংৰক্ষণ কৰে। কিন্তু এই ধাতুবিলাকৰ মূল্য ছপা কৰা কাগজী নোটত লিখিত মূল্যতকৈ কম। এই পদ্ধতিৰ মূল নীতি হ'ল যে জনসাধাৰণে সকলোবোৰ নোট একে সময়তে নগদ ৰূপত নানে। সেয়ে মুদ্রা কৰ্তৃপক্ষই সোণ আৰু ৰূপৰ সংৰক্ষণ মূল্য নোটৰ মূল্যতকৈ কমাই ৰাখে। এই পদ্ধতি অনুসৰি সংৰক্ষণ দুটা ভাগত থাকে— (ক) ধাতু অংশ ঃ এই অংশটো সোণ, ৰূপ আৰু মানবিশিষ্ট মুদ্রাৰে গঠিত, আৰু (খ) প্ৰতিভূতি পত্ৰৰ দ্বাৰা সমৰ্থিত অংশ (Fiduciary portion)।
  - **অপৰিবৰ্তনশীল কাগজী মুদ্রা ঃ** কোনো এখন দেশত অপৰিবৰ্তনশীল কাগজী মুদ্রা প্ৰচলিত থাকে, য'ত সেই দেশৰ মুদ্রা কৰ্তৃপক্ষই কাগজী নোট বা মুদ্রা বা অন্যান্য মূল্যবান ধাতুলৈ পৰিবৰ্তন কৰাৰ বাবে কোনো নিশ্চয়তা প্ৰদান নকৰে। এনেধৰণৰ কাগজী মুদ্রা, মুদ্রা কৰ্তৃপক্ষৰ বিশ্বাস প্ৰদানৰ ভিত্তিতে প্ৰচলন হৈ থাকে আৰু কাগজী মুদ্রাৰ বিপৰীতে কোনো ধাতু সংৰক্ষণৰ ব্যৱস্থা নাথাকে। অৱশ্যে মুদ্রা কৰ্তৃপক্ষই চৰকাৰী প্ৰতিভূতি (Govt. securities), ট্ৰেজাৰী বিল, ধনপত্ৰ আদিৰ বিপৰীতে মুদ্রা ছপা কৰিব পাৰে। এনেধৰণৰ মুদ্রা ছপাৰ পৰিমাণ সীমিত । অৱশ্যে চৰকাৰে প্ৰয়োজনবোধ কৰিলে কোনো ধাতুৰ সংৰক্ষণ নোহোৱাকৈয়ে কাগজী মুদ্রাৰ ছপা কৰিব পাৰে।
  - **আদিষ্ট মুদ্রা** (Fiat money) ঃ ই এক প্ৰকাৰ অপৰিবৰ্তনশীল মুদ্রা আৰু কেৱল সংকটৰ সময়তহে ইয়াক ছপা কৰা হয়। সেয়ে ইয়াক জৰুৰীকালীন মুদ্রা বুলিও কোৱা হয়। ইয়াৰ বিপৰীতে ধাতু অথবা প্ৰতিভূতি আদি একোৱেই সংৰক্ষিত নাথাকে। মুদ্রা কৰ্তৃপক্ষই আদিষ্ট মুদ্রা ধাতু

মুদ্রালৈ ৰূপান্তৰ কৰাৰ কোনো নিশ্চয়তা প্ৰদান নকৰে। অৱশ্যে ই অসীম বিহিত মুদ্রা যদিও ইয়াক সীমিত পৰিমাণেহে ছপা কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ কাগজী মুদ্রা কি আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ কি কি? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ কাগজী মুদ্রাৰ জৰিয়তে আপুনি কি কি সুবিধা পাব পাৰে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১.৬ অৰ্থনীতিত মুদ্রাৰ ভূমিকা

আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে মুদ্রাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি হয়তো এনে এক পৰিস্থিতিৰ কথা ভাবি উলিয়াবলৈও কঠিন পাম, য'ত মুদ্রাৰ কোনো ভূমিকা নাই। এই শাখাটিত কোনো এক অৰ্থনীতিত, বিশেষকৈ উন্নয়নশীল অৰ্থনীতি মুদ্রাই কেনে ধৰণৰ ভূমিকা পালন কৰে, সেই সম্বন্ধে আলোচনা কৰিম।

আধুনিক অৰ্থনীতিত মুদ্রাই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। উপভোগ, উৎপাদন, বিনিময়, বিতৰণ আৰু ৰাজস্ব বিত্ত আদি অৰ্থনৈতিক কাৰ্যকলাপ বিলাকৰ ক্ষেত্ৰত মুদ্রাই গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে আৰু এই কাৰ্যবিলাক সুবিধাজনক কৰি তোলে।

- মুদ্রাত অন্তৰ্নিহিত ক্ৰয় ক্ষমতাৰ বাবে উপভোক্তাই ইয়াক ইচ্ছামতে ব্যৱহাৰ কৰিব পাৰে। উপভোক্তাৰ হাতত মুদ্রা পৰাৰ লগে লগে ইয়াক খৰচ কৰিব লাগিব বুলি কোনো কথা নাই। মুদ্রাৰ সাধাৰণ গ্ৰহণযোগ্যতা আৰু তুলনামূলকভাৱে সুস্থিৰতা থকাৰ বাবে উপভোক্তাই তেওঁৰ সুবিধা অনুযায়ীয়েই

খৰচ কৰিব পাৰে।

- মুদ্রাই উপভোক্তাক তেওঁলোকে ক্রয় কৰা বিভিন্ন দ্রব্যৰ পৰা পোৱা প্রান্তীয় উপযোগিতা সমান কৰাত সহায় কৰে। প্রত্যেকজন উপভোক্তাই তেওঁ কৰা ব্যয়ৰ পৰা সর্বাধিক সন্তুষ্টি আহৰণ কৰিবলৈ চেষ্টা কৰে। এই কার্য সম্ভৱ হয় কেৱল তেতিয়া, যেতিয়া বিভিন্ন দ্রব্যৰ পৰা পোৱা প্রান্তীয় উপযোগিতাসমূহৰ সৈতে সমান হয়। উপভোক্তাই এনেদৰে বিভিন্ন দ্রব্যৰ ব্যয়ৰ পৰা সমপৰিমাণৰ প্রান্তীয় উপযোগিতা লাভ কৰাৰ ক্ষেত্রত মুদ্রাই সামগ্রী পচন্দ কৰাৰ স্বাচ্ছ্যন্দতা সুনিশ্চিত কৰে। তদুপৰি ইয়াৰ জৰিয়তে উপভোক্তাই প্রতিদ্বন্দিতামূলক বজাৰত দ্রব্যসমূহৰ দামৰ তুলনা কৰি সামগ্রী ক্রয় কৰিব পাৰে।
- মুদ্রাই উৎপাদকক বিভিন্ন ধৰণে সহায় কৰিব পাৰে। যেনে-- কেঁচা সামগ্রী ক্রয় কৰা, মূলধন ধাৰলৈ অনা, শেষ উৎপাদিত দ্রব্যবিলাকৰ বাবে বিজ্ঞাপন দিয়া আৰু উৎপাদন কার্যত উপাদানবিলাকৰ সংযোজন কৰা আদি কার্যত মুদ্রাই যথেষ্ট সহায় কৰে। তদুপৰি মুদ্রাই আধুনিক সমাজত দৰ প্রক্রিয়াৰ দ্বাৰা উৎপাদনৰ গুণগত আৰু পৰিমাণগত দিশ নির্দ্ধাৰণত সহায় কৰে। এই দৰ প্রক্রিয়াই সমাজত উপভোক্তাসকলে কোন বিলাক দ্রব্য কিমান পৰিমাণে বিচাৰে সেই কথা আৱিষ্কাৰ কৰাত সহায় কৰে।
- মুদ্রাই বিনিময় প্রথাত থকা সকলোবোৰ অসুবিধা দূৰ কৰিব পাৰিছে।
- বর্তমান কালৰ শ্রম বিভাজন আৰু বিশেষীকৰণত মুদ্রাই এক বিশেষ ভূমিকা গ্রহণ কৰে। শ্রমবিভাজনত বিভিন্ন প্রক্রিয়া আৰু উপ-প্রক্রিয়াৰ যোগেদি শ্রমিকসকলে বেলেগে বেলেগে কাম কৰে আৰু এই কার্যবিলাকত শ্রমিকক পৰিশোধৰ বাবে মুদ্রাই বৰঙণি যোগায়।
- মুদ্রাই সাধাৰণ লোকৰ সঞ্চয়সমূহ মুদ্রাৰ বিনিয়োগ কার্যত ব্যৱহৃত হোৱাত সহায় কৰে। এই কার্যত বেংকিং অনুষ্ঠানসমূহে ব্যক্তিগত সঞ্চয় জমা হিচাপে লৈ উদ্যোক্তাসকলক বিনিযোগৰ বাবে সুবিধা কৰি দিয়ে।
- মুদ্রাৰ সহায়ত দৰ প্রক্রিয়াই পূঁজিবাদী আৰু সমাজবাদী অর্থনীতিত বিভিন্ন উদ্যোগ আৰু উৎপাদনৰ ক্ষেত্রবিলাকলৈ সম্পদৰ বিতৰণ হোৱাত সহায় কৰে।
- মুদ্রাই বিনিময়ৰ মাধ্যম হিচাবে সেৱা আগবঢ়াই ব্যৱসায় বাণিজ্য সুবিধাজনক কৰি তোলে। আধুনিক অর্থনীতিৰ দ্রুত বিনিময় সম্ভৱ হয় কেৱল মুদ্রাৰ বাবেই।
- মুদ্রাই মূলধনক বেছি তৰল কৰি তোলে। মূলধনৰ তাৰল্যতা বৃদ্ধিৰ লগে লগে ই বেছি গতিশীল হৈ পৰে আৰু ইয়াক কম উৎপাদনক্ষম ব্যৱহাৰৰ পৰা বেছি উৎপাদনক্ষম ব্যৱহাৰলৈ স্থানান্তৰ কৰিব পৰা যায়।

- উৎপাদনৰ বিভিন্ন উপাদানসমূহে উৎপাদনলৈ আগবঢ়োৱা সেৱাৰ মূল্য মুদ্রাৰ মাধ্যমত পৰিশোধ কৰা হয়। খাজনা, সুদ, মজুৰি আৰু লাভ আদি নির্দ্ধাৰণ কৰি উপাদানবিলাকক মুদ্রাৰ মাধ্যমত পৰিশোধ কৰা হয়।
- চৰকাৰে ইয়াৰ আয় কৰ, মাচুল, দৰ আদি ৰূপত সংগ্রহ কৰে আৰু এইবিলাক প্রশাসনিক আৰু উন্নয়নমূলক কার্যত মুদ্রা ব্যৱহাৰ কৰে। মুদ্রাৰ অবিহনে আধুনিক ৰাষ্ট্রৰ প্রশাসনিক আৰু উন্নয়নমূলক কাম-কাজবিলাক সম্ভৰ নহয়। আকৌ মুদ্রা অবিহনে চৰকাৰৰ ৰাজস্ব পৰিচালনাৰ কামো অতিশয় কঠিন হয় অথবা সম্ভৰ নহয়। মুদ্রাই হিচাপ আৰু বাজেটৰ কার্যকলাপতো সহায় কৰে।
- তদুপৰি, মুদ্রাই সমাজত উৎপাদন বৃদ্ধি কৰাৰ লগতে সম্পদৰ সমবিতৰণ কৰি জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাত সহায় কৰে, সামাজিক কল্যাণ সাধন কৰে। ই ব্যৱসায় বাণিজ্যতো সহায় কৰে। বাণিজ্যিক উদ্দেশ্যেৰে বিভিন্ন লোকৰ মাজত, আনকি দূৰৱর্তী অঞ্চলত থকা লোকসকলকো প্রত্যেকে প্রত্যেকৰ সৈতে লগ পোৱাৰ সুবিধা কৰি দিয়ে। মুদ্রাই প্রধানত ঃ দেশত ৰাষ্ট্রীয় ঐক্য সুদৃঢ় কৰাত সহায় কৰে।

গতিকে দেখা যায় যে মুদ্রাই অর্থনৈতিক কার্যৰ উপৰি সামাজিক আৰু চৰকাৰী কাম-কাজতো গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

উন্নয়নশীল অর্থনীতিতো মুদ্রাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। উন্নয়নশীল অর্থনীতিৰ এটা প্রধান প্রয়োজনীয় কথা হ'ল অর্থনৈতিক বিকাশৰ হাৰ ত্বৰান্বিত কৰা আৰু ইয়াৰ দ্বাৰা জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা। ইয়াৰ বাবে অর্থনৈতিক সম্পদসমূহৰ সঞ্চালন ঘটাবলৈ অর্থনৈতিক পৰিকল্পনাৰ প্রয়োজন হয়। অব্যৱহৃত অর্থনৈতিক সম্পদসমূহৰ উদ্‌ঘাটন আৰু সঞ্চালন কৰিবলৈ মুদ্রাগত সম্পদৰ প্রয়োজন। গতিকে, এনেবিলাক দেশৰ চৰকাৰসমূহে দেশৰ অর্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰিবলৈ পর্যাপ্ত পৰিমাণৰ বিত্তীয় সম্পদৰ যোগান ধৰিব লগা হয়। এনে বিত্তীয় সম্পদৰ সম্ভাব্য উৎসসমূহ হ'ল -- কৰ, জনসাধাৰণৰ পৰা লোৱা ধন, ঘাটি বিত্ত আৰু যদি প্রয়োজন হয়, তেন্তে বৃহৎ পৰিমাণৰ অপৰিবর্তনশীল কাগজী মুদ্রা ছপা কৰা। এনে কৰাৰ মূল কাৰণ হ'ল যাতে চৰকাৰে অর্থনৈতিক উন্নয়নৰ বাবে প্রয়োজনীয় বিত্তীয় সম্পদৰ যোগান ধৰিব পাৰে।

অনুন্নত অথবা উন্নয়নশীল ৰাষ্ট্রসমূহৰ চৰকাৰসমূহে অর্থনৈতিক বিকাশ দ্রুততৰ কৰিবৰ বাবে পর্যাপ্ত পৰিমাণৰ বৈদেশিক বিনিময় সম্পদৰ সঞ্চালন ঘটাব লগা হয়। আভ্যন্তৰীণ সম্পদৰ সঞ্চালন, ৰপ্তানি বৃদ্ধি, অনাৱশ্যকীয় আমদানি হ্রাস আদি কার্যসমূহৰ উপৰি পর্যাপ্ত পৰিমাণে বৈদেশিক বিনিময় আহৰণ কৰাটো অতীৱ প্রয়োজনীয়। এই ক্ষেত্রত মুদ্রাই বিশেষ ভূমিকা পালন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ ব্যক্তিগত উৎপাদনকাৰী এজনক মুদ্রাই কেনেদৰে সহায় কৰে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন ৮ ঃ চৰকাৰ এখনৰ আয়ৰ বিভিন্ন উৎসসমূহ কি কি? চৰকাৰখনে এই আয়সমূহ কেনেদৰে ব্যৱহাৰ কৰে? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাৰ উৎপত্তিৰ দুটা সূত্র আছে— এটা হ'ল স্বয়ংক্রিয় বিকাশ আৰু আনটো আবিষ্কাৰৰ সূত্র।
- প্রকৃতিৰ ওপৰত ভিত্তি কৰি মুদ্রাক বিভিন্ন শ্রেণীত বিভাজিত কৰিব পাৰি, যথা --
  - ➢ বর্ণনাত্মক অথবা কার্যাৱলী
  - ➢ সাধাৰণ গ্রহণযোগ্যতাৰ ভিত্তিত
  - ➢ দেশীয় অর্থনৈতিক তত্ত্ব অনুসৰি
  - ➢ পৰিসৰ ভিত্তিক ইয়াত অন্তর্ভুক্ত বিষয় হ'ল ধাতু মুদ্রা অথবা সকলো ধৰণৰ মুদ্রা অথবা কেৱল বিহিত মুদ্রা।
- মুদ্রা আৰু ধাতু অথবা বিহিত মুদ্রাৰ মাজত কিছুমান পার্থক্য আছে।
- মুদ্রাৰ কার্যাৱলীসমূহ প্রধানকৈ তিনিটা বিভাগত বিভক্ত —
  - ➢ মুখ্য কার্যাৱলী— বিনিময়ৰ মাধ্যম আৰু মূল্যৰ জোখ।
  - ➢ গৌণ কার্যাৱলী — সঞ্চিত মূল্যৰ ভঁৰাল, ভৱিষ্যত দেনা-পাওনাৰ মান, মূল্যৰ স্থানান্তৰ।
  - ➢ অন্যান্য কার্যাৱলী — ই মূলধনৰ তাৰল্যতা আনে, যুটীয়া উৎপাদিত দ্রব্যৰ

বিতৰণ কৰে, ঋণদানৰ ভিত্তি হিচাপে কাম কৰে, তদুপৰি উৎপাদনৰ বিভিন্ন উপাদানৰ দক্ষতা বৃদ্ধি, সন্তুষ্টি আহৰণৰ লগতে সর্বাধিক ধন পৰিশোধৰ ক্ষেত্রতো ই সহায় কৰে।

- বিভিন্ন শিতানৰ ভিত্তিত মুদ্রাক বিভিন্ন ধৰণে ভাগ কৰা হয় যথা — (১) মুদ্রা ছপা কৰা কর্তৃপক্ষ, (২) মুদ্রাৰ মূল্য অনুসৰি, (৩) বিহিত মুদ্রা অনুসৰি আৰু (৪) অৱস্থিতি অথবা অবয়ব অনুসৰি।
- কোনো দেশৰ অর্থনীতিৰ— অর্থনৈতিক কার্যকলাপ আৰু সামগ্রিক অর্থনৈতিক আৰু সামাজিক উন্নয়নত মুদ্রাৰ গুৰুত্ব অপৰিসীম।
- এখন দুখীয়া অথবা উন্নয়নশীল ৰাষ্ট্রৰ সামগ্রিক উন্নয়নৰ বাবে মুদ্রাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।



১.৮ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

- Seth, M. L. (2002). *Money, Banking, International Trade and Public Finance*. Agra: Lakshmi Narayan Agarwal.
- Rana, K. C. & Verma, K. N. (2009). *Macro Economic Analysis.* New Delhi: Vishal Publishing Co.
- D' Souza, E. (2009). *Macro Economics.* Pearson Education: New Delhi.

অসমীয়া গ্রন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অর্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্রকাশন।

১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ মুদ্রাৰ সূত্র বিভিন্ন বিষয়ৰ ওপৰত ভিত্তি কৰি দিব পৰা যায়, কিন্তু মুদ্রাৰ সূত্র দিওঁতে মন কৰিবলগীয়া প্রধান বৈশিষ্ট্যকেইটা হ'ল— চিনাক্তকৰণ, উপযোগিতা, সহজে কঢ়িয়াই নিব পৰা, বিভাজ্যতা অবিনশ্বৰতা আৰু সমজাতীয়তা । এই কেইটা গুণ থাকিলে মুদ্রাক সকলোৱে সার্বজনীনভাৱে গ্রহণ কৰে।

২ নং প্রশ্নৰ উত্তৰঃ মুদ্রা = ধাতু মুদ্রা + বিহিত মুদ্রা বা টকা + আমানতৰ আহিলাসমূহ

প্রচলিত মুদ্রা= ধাতু মুদ্রা + বিহিত মুদ্রা বা টকা পইচা।

= মুদ্রা – আমানতৰ আহিলাসমূহ।

৩ নং প্ৰশ্নৰ উত্তৰঃ মুখ্য কাৰ্যাৱলী ঃ বিনিময়ৰ মাধ্যম, মূল্যৰ জোখ।

গৌণ কাৰ্যাৱলী ঃ সঞ্চিত মূল্যৰ ভঁৰাল, ভৱিষ্যত দেনা-পাওনাৰ মান, মূল্যৰ স্থানান্তৰ।

অন্যান্য কাৰ্যাৱলী ঃ ই মূলধনৰ তাৰল্যতা আনে, যুটীয়া উৎপাদিত দ্ৰব্যৰ বিতৰণ কৰে, ঋণদানৰ ভিত্তি হিচাপে কাম কৰে, তদুপৰি উৎপাদনৰ বিভিন্ন উপাদানৰ দক্ষতা বৃদ্ধি, সন্তুষ্টি আহৰণৰ লগতে সৰ্বাধিক ধন পৰিশোধৰ ক্ষেত্ৰতো ই সহায় কৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃ মুদ্ৰাৰ প্ৰকাৰৰ শ্ৰেণীবিভাজন —

(১) মুদ্ৰা ছপা কৰা কৰ্তৃপক্ষ অনুসৰি — চৰকাৰী আৰু বেংক মুদ্ৰা।

(২) মুদ্ৰাৰ প্ৰকৃতি অনুসৰি — প্ৰকৃত মুদ্ৰা, নিকট মুদ্ৰা।

(৩) বিহিত মুদ্ৰা অনুসৰি — (ক) অসীম বিহিত মুদ্ৰা (খ) সসীম বিহিত মুদ্ৰা।

(৪) অবয়ব বা অৱস্থিতি অনুসৰি — ধাতু মুদ্ৰা আৰু কাগজী মুদ্ৰা।

৫ নং প্ৰশ্নৰ উত্তৰঃ কাগজী মুদ্ৰা বুলিলে নোট আৰু আমানত আহিলাসমূহক বুজোৱা হয়। ই বিভিন্ন প্ৰকাৰৰ -

(১) প্ৰতিনিধিত্বমূলক (২) পৰিবৰ্তনশীল (৩) অপৰিবৰ্তনশীল (৪) আদিষ্ট মুদ্ৰা।

৬ নং প্ৰশ্নৰ উত্তৰঃ কাগজী মুদ্ৰাৰ সুবিধাসমূহ হ'ল ---

- যি কাগজত মুদ্ৰা ছপা কৰা হয়, ইয়াৰ মূল্য অতি নগন্য অথচ ই যিকোনো মূল্যতে প্ৰচলিত হৈ থাকে।
- ইয়াক যিকোনো মূল্যৰ বাবে ছপা কৰিব পাৰি আৰু ইয়াক সহজে লৈ ফুৰিব পৰা যায়।
- কাগজী মুদ্ৰাৰ বিভাজ্যতা আছে। এই অৰ্থত যে যিকোনো মূল্যতে ইয়াক ছপা কৰিব পাৰি।
- একে মূল্যৰ কাগজী মুদ্ৰা দেখাত একেই।
- কাগজৰ ৰং, আৰ্হি আৰু ছপা এনেধৰণৰ যে এনে মুদ্ৰা সহজে চিনিব পাৰি।
- যদিও বহুতো ক্ষেত্ৰত ইয়াৰ নষ্ট হোৱাৰ সম্ভাৱনা থাকে, তথাপিও সামান্য সাৱধানতা অৱলম্বন কৰিলেই ইয়াক নিৰাপদে ৰাখিব পাৰি। যি বেংকে নোট ছপা কৰে, কেৱল ক্ৰমিক নম্বৰ থাকিলেই সেই বেংকে নষ্ট হৈ যোৱা নোটৰ ঠাইত নতুন নোট প্ৰদান কৰে।

৭নং প্ৰশ্নৰ উত্তৰঃ মুদ্ৰাই এজন ব্যক্তিগত উৎপাদনকাৰীক তলত দিয়া ধৰণে সহায় কৰে-

- কেচা সামগ্ৰীৰ ক্ৰয়ত, মূলধন ধাৰে লোৱাত, উৎপাদিত সামগ্ৰীৰ বিজ্ঞাপনত,
- উৎপাদিত সামগ্ৰীৰ পৰিমাণ নিৰ্ধাৰণ কৰাত আৰু ব্যয়ৰ হিচাপত,
- মুদ্ৰাৰ জৰিয়তে উৎপাদিত সামগ্ৰীৰ ব্যয় নিৰ্ধাৰণ কৰাৰ লগতে গুণগত মানদণ্ড নিৰ্ণয় কৰিব পাৰি।

৮ নং প্রশ্নৰ উত্তৰঃ চৰকাৰে আয় কৰ, মাচুল, দৰ আদি ৰূপত সংগ্রহ কৰে আৰু এইবিলাক প্রশাসনিক আৰু উন্নয়নমূলক কার্যত মুদ্রা ব্যৱহাৰ কৰে। মুদ্রাৰ অবিহনে আধুনিক ৰাষ্ট্রৰ প্রশাসনিক আৰু উন্নয়নমূলক কাম-কাজবিলাক সম্ভৱ নহয়। আকৌ মুদ্রা অবিহনে চৰকাৰৰ ৰাজস্ব পৰিচালনাৰ কামো অতিশয় কঠিন হয় অথবা সম্ভৱ নহয়। মুদ্রাই হিচাপ আৰু বাজেটৰ কার্যকলাপতো সহায় কৰে।

১.১০ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিভিন্ন বৈশিষ্ট্যৰ ওপৰত নির্ভৰ কৰি মুদ্রাৰ সূত্র দিয়ক।

প্রশ্ন ২ ঃ মুদ্রাৰ প্রধান কার্যাৱলীসমূহ কি কি?

প্রশ্ন ৩ ঃ কাগজী মুদ্রা কি? ইয়াৰ মুখ্য চৰিত্রসমূহ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ মুদ্রাৰ উৎপত্তি সম্পর্কে এটি চমু টোকা লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ মুদ্রাৰ সংজ্ঞা তথা ইয়াৰ বিভিন্ন কার্যাৱলী আলোচনা কৰক।

প্রশ্ন ২ ঃ কার্যৱলীৰ ওপৰত ভিত্তি কৰি মুদ্রাৰ বিভিন্ন প্রকাৰ আলোচনা কৰক।

প্রশ্ন ৩ ঃ কাগজী মুদ্রা কি? ইয়াৰ মূল বৈশিষ্ট্যসমূহ কি কি?

** ***** **